# REGIONAL NEWS UNIT
## AKASHVANI GUWAHATI
0000000000

**Date : 19-09-2025**
**Time : 21-25 Hrs**

### ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::**

প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি কেৱল ৫৩ বছৰ বয়সতে মৃত্যুক সাৱটি লোৱা জুবিন গাৰ্গৰ দেহাৱসানত ৰাজ্য আৰু দেশ শোকস্তব্ধ হৈ পৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ছিংগাপুৰৰ সাগৰত সাতোঁৰাৰ সময়ত আজি দুপৰীয়া জুবিন গাৰ্গ হঠাৎ অসুস্থ হৈ পৰে। তেওঁক ততালিকে ছিংগাপুৰ জেনেৰেল হাস্পতাললৈ নিয়া হয়। চিকিৎসকসকলে তেওঁক বচাবলৈ চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হয় আৰু ভাৰতীয় সময় অনুসৰি দিনৰ দুই বাজি ৪৫ মিনিটত চিকিৎসকসকলে তেওঁক মৃত বুলি ঘোষণা কৰে।

জুবিন গাৰ্গৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, জে পি নাড্ডাকে ধৰি আন কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, বলিউদৰ সংগীত পৰিচালক প্ৰীতম, অংগৰাগ মহন্ত, জুবিন নটিয়াল, বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়া প্ৰমুখ্যে অজস্ৰ গুণমুগ্ধই জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাই শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি আজি সন্ধিয়া সমগ্ৰ ৰাজ্যতে বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত প্ৰিয় শিল্পীগৰাকীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

নগাঁৱত শিল্পীগৰাকীৰ একাংশ অনুৰাগীয়ে আজি সন্ধিয়া তেওঁৰ গীতেৰে ৰাজপথত সমদল উলিয়ায়। ইপিনে তিনিচুকীয়া জিলাত মৰাণ জনগোষ্ঠীয়ে জনজাতিকৰণৰ প্ৰতিবাদৰ মাজতে শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তিনিচুকীয়া জিলাৰ টিংৰাইত দিগবৈৰ বিধায়ক সুৰেণ ফুকনৰ উপস্থিতিত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। ডিব্ৰুগড় জিলাৰ সকলো অঞ্চলতে তেওঁৰ অনুৰাগীসকলে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰি বিভিন্ন ব্যক্তি, নেতা, দল-সংগঠনে দিয়া বাৰ্তা আমালৈ আহি আছে।

অসমীয়া সংগীত জগতত বৰ্ণিল যুগৰ সূচনা কৰা জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। ১৯৯২ চনত অনামিকা এলবামেৰে সংগীত যাত্ৰা আৰম্ভ কৰা জুবিন গাৰ্গে নৱপ্ৰজন্মক পুনৰ অসমীয়া আধুনিক গীতৰ অনুৰাগী কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বাংলা ছবি **শুধু তুমি**ৰ বাবে ২০০৫ চনত তেওঁ বংগীয় চলচ্চিত্ৰ সমালোচক সংস্থাই আগবঢ়োৱা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। ২০০৭ চনত হিন্দী ছবি **গেংষ্টাৰৰ য়া আলী** শীৰ্ষক গীতটোৰ বাবে তেওঁ গ্লোবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰিছিল। তদুপৰি ইংৰাজী-খাচী ছবি **ইক'জ অৱ**

**ছাইলেন্স** ছবিৰ বাবে তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে ৰজত কমল বঁটা লাভ কৰিছিল। আধুনিক অসমীয়া সংগীতক নতুন মাত্ৰা প্ৰদান কৰাৰ বাবে ২০১৪ চনত জুবিন গাৰ্গলৈ **ৰেনেচাঁ অসম বঁটা** আগবঢ়োৱা হয়। সংগীতৰ মহান পূজাৰীগৰাকীৰ মৃত্যুত আমি শিল্পীগৰাকীলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰত থকা ভাৰতৰ উচ্চায়ুক্তৰ সৈতে জুবিন গাৰ্গৰ নশ্বৰ দেহ অসমলৈ ঘুৰাই অনাৰ বাবে যোগাযোগ অব্যাহত ৰাখিছে। ৰাজহুৱাভাৱে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বাবে জুবিন গাৰ্গৰ নশ্বৰ দেহ খানাপাৰা, অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰ বা সৰুসজাই ষ্টেডিয়ামত ৰখা হ'ব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই জনোৱা অনুসৰি পৰিয়ালৰ সৈতে চৰকাৰে আলোচনা কৰি তেওঁৰ অন্তেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰিব।

০০০০০০

জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ এটা সাক্ষাৎকাৰ আকাশবাণী গুৱাহাটীৰ অভিলেখাগাৰত সংৰক্ষিত হৈ আছে। শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি হিচাপে আমি আগবঢ়াইছোঁ সেই সাক্ষাৎকাৰৰ কিয়দাংশ–

***(বাইট ঃ জুবিন ইণ্টাৰভিউ)***

০০০০০০

অসমবাসীৰ হিয়াৰ আমঠু, জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৱে বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানতো প্ৰভাৱ পেলাইছে। প্ৰচাৰ অভিযানৰ সামৰণিলৈ ২৪ ঘণ্টাৰো কম সময় বাকী থকা অৱস্থাত আজি বিয়লিৰ পৰা হঠাৎ ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান স্তব্ধ হৈ পৰে। জুবিনৰ মৃত্যুৰ বাতৰি লাভ কৰাৰ পাছতে বিজেপি আৰু কংগ্ৰেছে বাকী থকা নিৰ্বাচনী প্ৰচাৰ বাতিল কৰাৰ কথা ঘোষণা কৰে।

অৱশ্যে আজি আগবেলা বিজেপি, কংগ্ৰেছ, ইউ পি পি এল আৰু বিপিএফকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই নিজৰ দলৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন স্থানত শেষ পৰ্যায়ৰ প্ৰচাৰ অভিযানত ভাগ লয়। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰৰ ছালাকাটি পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কবিতা বসুমতাৰী আৰু চিৰাং জিলাৰ সুভাইজাৰ পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী প্ৰভাত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সা জিলাৰ মথনগুৰি আৰু শালবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়।

বাক্সা জিলাৰ ককলাবাৰীত আজি ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱেও দলীয় প্ৰাৰ্থীৰ হৈ প্ৰমোদ বড়োৱে নিৰ্বাচনী সভাত ভাগ লয়। জিলাখনৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী মণ্টু বড়োৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

চিৰাং জিলাৰ কাজলগাওঁ পৰিষদীয় সমষ্টিৰ হাশ্ৰাওবাৰীত তৃণমূল কংগ্ৰেছৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অকালতে মৃত্যু ঘটা জুবিন গাৰ্গৰ এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

০০০০০০

সমাপ্ত